# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-10 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

--------------------

১।  তৃতীয় বৰ্গৰ ৭ হাজাৰ ৬৫০ টা পদৰ বাবে অনুষ্ঠিত নিযুক্তি পৰীক্ষাৰ ফলাফল ঘোষণা।

২।  ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰা অঞ্চল পৰিদৰ্শন কৰি কেন্দ্ৰীয়  মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ খহনীয়া ৰোধৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ।

৩।  ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম-জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আজি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয় চৌহদত পুনৰ নিৰ্মিত সোৱণশিৰি হাট উদ্বোধন।

৪।  ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সংক্ৰান্তত তদন্তকাৰী গোটৰ শিল্পীগৰাকীৰ দুয়োগৰাকী দেহৰক্ষীক গ্ৰেপ্তাৰ। *আৰু*

৫।  যশস্বী জয়ছোৱালৰ অপৰাজিত ১৭৩ ৰানৰ সহায়ত ৩১৮ ৰানেৰে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দ্বিতীয়খন টেষ্টৰ প্ৰথম দিনাই শক্তিশালী স্থিতিত ভাৰত।

০০০০০

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি বোৰ্ডে ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ বাবে অনুষ্ঠিত কৰা পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰে। পুৱা চাৰে দহ বজাৰ লগে লগে কেইবাটাও ৱেবছাইটত ফলাফল ঘোষণা কৰা হয়। ফলাফল ঘোষণাৰ পূৰ্বে তৃতীয় বৰ্গৰ পদসমূহৰ বাবে গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সংবাদমেল সম্বোধন কৰে। আয়োগৰ অধ্যক্ষ তথা ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব অজয় তিৱাৰীয়ে সাংবাদিকক সম্বোধন কৰি কয়, যে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰ মাজেৰে লিখিত পৰীক্ষা আৰু দক্ষতা পৰীক্ষাৰ অন্তত আজি ৭ হাজাৰ ৬৫০ টা তৃতীয় বৰ্গৰ পদৰ ফলাফল ঘোষণা কৰা হৈছে।

বাইট ঃ অজয় তিৱাৰী

অধ্যক্ষ তিৱাৰীয়ে লগতে কয় যে ৰাজ্য চৰকাৰক ৫০ টা বিভাগে নিজ নিজ  বিভাগৰ অধীনত খালী থকা পদৰ তালিকা আয়োগলৈ প্ৰেৰণ কৰিছিল। বিভাগসমূহৰ পৰা লাভ কৰা তথ্যৰ আধাৰতে আয়োগে খালী থকা পদৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। আজি ফলাফল ঘোষণাৰ পিছত উত্তীৰ্ণ প্ৰাৰ্থীসকলে ৫০ টা বিভাগতে নিযুক্তি লাভ কৰিব। ইয়াৰ ভিতৰত কৃষি বিভাগত সৰ্বাধিক এহেজাৰ ৮৫০ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ৮৭৩ টা, বিদ্যালয় শিক্ষা বিভাগত ৫৮১ টা পদ খালী আছে।

তৃতীয় বৰ্গৰ পদৰ ফলাফলৰ লগতে অসম আৰক্ষীৰ ৬২৫ টা পদৰ ফলাফলো আজি ঘোষণা কৰা হয়। এই সন্দৰ্ভত অধ্যক্ষ তিৱাৰীয়ে কয় যে ফলাফল ঘোষণা কৰা ৬২৫ টা পদৰ ভিতৰত ২০৩ টা পদ অসম আৰক্ষীৰ উপ পৰিদৰ্শক, এটা অসামৰিক  প্ৰতিৰক্ষা বাহিনীৰ সহকাৰী উপ নিয়ন্ত্ৰক পদ আৰু ১৬৪ টা অসম কমাণ্ডো বেটেলিয়নৰ কণিষ্ঠবল পদ। বাকী থকা ৫ হাজাৰ ৬১৪ টা  কণিষ্টবল পদৰ ফলাফল কাইলৈ পুৱা চাৰে এঘাৰ বজাত ঘোষণা কৰা হ'ব বুলিও ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষগৰাকীয়ে জানিবলৈ দিয়ে। একেখন সংবাদমেলতে অধ্যক্ষ তিৱাৰীয়ে ১৫ অক্টোবৰত চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০

ৰাজ্যৰ দ্বিতীয়খন ৰাজধানী ডিব্ৰুগড় মহানগৰৰ ফুলবাগানৰ সমীপত জোগার্ছ পার্ক আৰু কছাৰী ঘাট শেহতীয়াকৈ ব্ৰহ্মপুত্ৰৰ তীব্ৰ খহনীয়াৰ কবলত পৰিছে। ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কালি খহনীয়াগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি প্ৰতিৰোধৰ ব্যৱস্থাৰ বাবে বিভাগক নিৰ্দেশনা দিয়াৰ এদিন পাছতে আজি কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ আৰু জাহাজ পৰিবহন বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ক্ষেত্ৰ পৰিদৰ্শন কৰি খহনীয়া ৰোধৰ বাবে তৎকালীনভাৱে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খহনীয়াস্থলী পৰিদৰ্শন কৰি সামগ্ৰিক অৱস্থাৰো বুজ লয়। লগতে অধিক ক্ষয়-ক্ষতি ৰোধৰ বাবে ৰাজ্য চৰকাৰৰ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে।

বাইট ঃ সোণোৱাল

০০০০

চানমাৰিৰ উৰণ সেতুৰ মেৰামতি সংক্ৰান্তীয় কামৰ বাবে গুৱাহাটী কমাৰ্চ কলেজৰ পৰা চানমাৰি ট্ৰেফিক পইণ্টলৈ অহা সকলো যান-বাহনৰ চলাচল অহা ১৩, ১৫ আৰু ১৭ অক্টোবৰত নিশা ১০ বজাৰ পৰা পুৱা ৬ বজালৈ বন্ধ থাকিব। নিউ গুৱাহাটী ক্ষেত্ৰীয় পথ সংমণ্ডলৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ কাৰ্যালয়ৰ সূত্ৰই এখন ৰাজহুৱা জাননীৰ জৰিয়তে এই কথা ঘোষণা কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি বন্ধ থাকিবলগীয়া পথসমূহৰ বিকল্প হিচাপে ৰাজগড়-পূব শৰণীয়া পথ, এম টি ৰোড-বামুণীমৈদাম ৰে'লৰে ক'লনী ৰোড, মঠঘৰীয়া-নুনমাটি পথ, কৃষ্ণনগৰ-মিলনপুৰ পথ জনসাধাৰণে যাতায়তৰ বাবে ব্যৱহাৰ কৰিব পাৰিব।

০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম-জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয় চৌহদত পুনৰ নিৰ্মিত সোৱণশিৰি হাট উদ্বোধন কৰে। নাবাৰ্ড আৰু জিলা খনিজ ফাউণ্ডেছন ট্ৰাষ্টৰ সহযোগত পুনৰ নিৰ্মাতি এই হাটখনৰ উদ্বোধনী অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা, ধেমাজি জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱিৰ প্ৰমুখ্যে ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী শ্ৰী পেগুৱে ইয়াৰ জৰিয়তে আত্মসহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ সুবিধা প্ৰদানৰ লগতে স্থানীয় উৎপাদক তথা উদ্যোগীসকলে এখন নিৰ্ভৰযোগ্য মঞ্চ লাভ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি ডিব্ৰুগড় সমষ্টিৰ অন্তৰ্গত হিতাধিকাৰীসকলৰ চেক বিতৰন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী

ড০ হিমন্ত বিশ্ব শৰ্মাই ১৪ হাজাৰ ২৫ গৰাকী হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। ইয়াৰে সাত হেজাৰ ৭৭৭ গৰাকী মহিলা হিতাধিকাৰী গ্ৰামাঞ্চলৰ আৰু ছহেজাৰ ২৪৮ গৰাকী নগৰাঞ্চলৰ হিতাধিকাৰী আছে। আজি চেক বিতৰণ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ আৰু জাহাজ পৰিবহন মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্য চৰকাৰৰ কেইবগাৰকীও মন্ত্ৰী আৰু বিধায়ক উপস্থিত থাকে।

(বাইট)

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তকাৰী গোটে আজি প্ৰয়াত শিল্পীগৰাকীৰ দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ পিছতে বিশেষ তদন্তকাৰী গোটে দুয়োগৰাকীকে কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। আদালতে অভিযুক্ত দেহৰক্ষীদ্বয়ত ৫ দিনৰ বাবে তদন্তকাৰী গোটৰ জিম্মালৈ প্ৰেৰণ কৰে। দুই দেহৰক্ষী নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ বেংক একাউণ্টৰ যোগেদি বিগত বছৰত কোটি টকাৰ লেন-দেন হোৱাটো ধৰা পৰিছিল। সেই সন্দৰ্ভত তদন্তকাৰী গোটটোৱে কেইবাদিনো ধৰি কৰা সোধা পোচাৰ অন্তত আজি দুয়োকে গ্ৰেপ্তাৰ কৰে।

উল্লেখযোগ্য যে নন্দেশ্বৰ বৰা ২০১৮ বৰ্ষৰ পৰা জুবিন গাৰ্গৰ দেহৰক্ষী হিচাপে আছিল। আনহাতে, পৰেশ বৈশ্যক ২০২৩ চনত জুবিন গাৰ্গৰ দেহৰক্ষী হিচাপে নিযুক্তি দিয়া হৈছিল। দুয়োগৰাকী দেহৰক্ষীকে গ্ৰেপ্তাৰৰ পিছতে আৰক্ষীয়ে নিলম্বন কৰে।

০০০০০

মাজুলীত এইবাৰ শ্ৰীশ্ৰীকৃষ্ণ ৰাসলীলা মহোৎসৱ জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰা হ'ব। মাজুলী জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত আজি অনুষ্ঠিত এখন ৰাজহুৱা সভাত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সভাখনত মাজুলীৰ ৭০ খন ৰাস মঞ্চৰ প্ৰতিনিধি উপস্থিত থাকে। এইবাৰ মাজুলীবাসীয়ে দেৱালী উৎসৱতো আটচবাজি পৰিহাৰ কৰা মাটিৰ চাকিৰে পোহৰৰ উৎসৱ উদযাপন কৰি জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাব বুলি একেখন বৈঠকতে সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ ড০ হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ সাংস্কৃতিক বিশ্ববিদ্যালয়খনৰ নাম জুবিন গাৰ্গেৰে নামকৰণ কৰাৰ বাবে মাজুলীবাসীৰ মতামত বিছাৰিছিল। মাজুলীবাসীৰ সহমতত আজিৰ বৈঠকতে মাজুলী সংস্কৃতিক বিশ্ববিদ্যালয়ৰ নাম জুবিন গাৰ্গ সাংস্কৃতিক বিশ্ববিদ্যালয় ৰখা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০০

ভেনিজুৱেলাৰ আইৰণ লেডী মাৰিয়া কোৰিনা মাচাডোলৈ ২০২৫ বৰ্ষৰ শান্তিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। গণতন্ত্ৰ ৰক্ষাৰ বাবে কেইবা দশক ধৰি স্বৈৰাচাৰিতাৰ বিৰুদ্ধে নিৰ্ভিকতাৰে চলাই যোৱা সংগ্ৰামৰ বাবে ভেনিজুৱেলাৰ বৰ্তমাৰ বিৰোধী নেতৃ মাৰিয়া কোৰিনা মাচাডোলৈ শান্তিৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

মাৰিয়া কোৰিনা মাচাডোয়ে বিগত ২ দশক জুৰি ভেনিজুৱেলত মুক্ত নিৰ্বাচনৰ বাবে যুঁজ দি আহিছে। নিজৰ দেশতে প্ৰাণৰ ভাবুকি লৈ কাম কৰি যোৱা মাৰিয়াক ২০২৪ চনৰ নিৰ্বাচনত প্ৰাৰ্থীত্বি আগবঢ়োৱাটো চৰকাৰে বাধা প্ৰদান কৰিছিল। ভেনিজুৱেলত নিকোলাচ মাডুৰোৰ চৰকাৰ অহাৰ পিছত মাৰিয়া কোৰিনা মাচাডোৱে ১৪ মাহ ধৰি আত্মগোপন কৰি থাকিবলগীয়া হৈছিল।

০০০০০

বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ তিৰোভাব তিথি আজি সত্ৰখনত কীৰ্তন মহোৎসৱৰূপে উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে নিয়মীয়া প্ৰসংগৰ লগতে নৈমিত্তিক প্ৰসংগ হিচাপে ঘোষা কীৰ্তন, গায়ন-বায়ন আদি পৰিৱেশন কৰা হয়। বিয়লি সত্ৰখনৰ অধীনত নহাটীৰ ভকতসকলে পৰম্পৰাগতভাৱে কৰভাৰ প্ৰদান কৰে। উল্লেখযোগ্য যে বৰপেটা সত্ৰ যি নীতি-নীয়মৰ মাজেৰে পৰিচালিত হৈ আহিছে, সেই পৰম্পাৰ

মথুৰা দাস বুঢ়া আতাই আৰম্ভ কৰিছিল। তদুপৰি বৰপেটাত হাটীয়াৰ ব্যৱস্থা আৰু হাটীসমূহত বেংক ব্যৱস্থা প্ৰৱৰ্তন কৰি সত্ৰ নগৰীখন সমাজ ব্যৱস্থা আৰ্থিকভাৱে সৰল কৰি তোলাৰ নীতিও প্ৰৱৰ্তন কৰিছে। মথুৰা দাস বুঢ়া আতাৰ কীৰ্তন মহোৎসৱ উপলক্ষে আজি পুৱাৰে পৰা সত্ৰখনত যথেষ্ট লোকৰ সমাগম হয়।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ মেঘালয় সীমান্তৰ টাপু আৰু খান্দুলি অঞ্চলত কালি মেঘালয়ৰ দুৰ্বৃত্তৰ আক্ৰমণত অসমৰ এজন গাঁওবাসী নিহত হোৱাৰ পাছত অঞ্চলটোলৈ নিৰাপত্তা বাহিনীৰ লোকক প্ৰেৰণ কৰা হৈছে। দুয়ো ৰাজ্যৰ সীমাৰ খান্দুলি গে'টেৰে আজি যান-বাহনৰ চলাচল বন্ধ থাকে। কালিৰ সংঘৰ্ষৰ পাছত আজি অঞ্চলটোত সকলো দোকান-বজাৰ বন্ধ থাকে আৰু যান-বাহনৰ চলাচলো বন্ধ হৈ পৰে। বিধায়ক ৰূপসিং তেৰন আৰু কাৰ্বি ছাত্ৰ সন্থাৰ এটা সজাতি দলে আজি অঞ্চলটো ভ্ৰমণ কৰি আৰু শান্তি, সম্প্ৰীতি ৰক্ষাৰ বাবে সকলো পক্ষকে আহ্বান জনায়।

০০০০০

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দ্বিতীয়খন টেষ্টৰ প্ৰথম দিনাই ভাৰতে প্ৰথম ইনিংছত শক্তিশালী স্থিতিত উপনীত হৈছে। অপেনাৰ যশস্বী জয়চোৱালৰ অপৰাজিত ১৭৩ ৰাণৰ সহায়ত ভাৰতে দিনান্তত ২ উইকেট হেৰুৱাই ৩১৮ ৰাণ সংগ্ৰহ কৰিছে। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে টছত জয়লাভ কৰি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লয়। যশস্বী জয়ছোৱালৰ অপৰাজিত শতকৰ লগতে ভাৰতৰ সাই সুদৰ্শনে ৮৭ ৰাণ সংগ্ৰহ কৰে। আনহাতে, শুভমন গীলে ২০ ৰাণ কৰি যশস্বী জয়ছোৱালৰ সৈতে নৈশ প্ৰহৰি হিচাপে আছিল। উল্লেখযোগ্য যে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত ভাৰতে ১ ইনিংছ আৰু ১৪৪ ৰানৰ বৃহৎ ৰাণৰ ব্যৱধানত জয়লাভ কৰিছে।

০০০০০

আমিনগাঁৱত চলি থকা ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ দলীয় শাখাৰ আজি হোৱা প্ৰথমখন চেমিফাইনেলত ইণ্ডোনেছিয়াই ভাৰতকৰ পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। দলীয় শাখাৰ ফাইনেল খেলখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰতে প্ৰথমবাৰৰ বাবে বিশ্ব জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ দলীয় শাখাৰ চেমিফাইনেলত প্ৰৱেশ কৰি ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এছোছিয়েছনৰ ষ্টেডিয়ামত আজি মহিলা বিশ্বকাপৰ নিউজিলেণ্ড আৰু বাংলাদেশৰ মাজত এখন খেল অনুষ্ঠিত হৈছে। খেলখনত নিউজিলেণ্ডে টছত জয়লাভ কৰি প্ৰথমে বেটিঙৰ সিদ্ধান্ত লয়। দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ২২৭ ৰাণ সংগ্ৰহ কৰে। কিছুসময়ৰ পিছতে খেলখনৰ দ্বিতীয় ইনিংছ আৰম্ভ হ'ব।

০০০০০

৪০ সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিক্স প্ৰতিযোগিতাত অসমৰ প্ৰিয়ানুজ বৰুৱাই ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। ১৪ বছৰ অনুৰ্ধৰ লৰাৰ ট্ৰাইথলম ইভেণ্টত প্ৰিয়ানুজে এই সফলতা লাভ কৰিছে। ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত আজি ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিক্স প্ৰতিযোগিতা আৰম্ভ হৈছে। প্ৰিয়ানুজ বৰুৱাৰ ঘৰ শিৱসাগৰত।

০০০০০

সমাপ্ত